# হাৰলা
# বনাম
# ৰাজস্থান ৰাজ্য

**[মেহৰ চান্দ মহাজন আৰু ভিভিয়ান বোস জে.জে]**

***জয়পুৰ বিধি অধিনিয়ম, ১৯২৩, এচ. ৩ (বি.)– জয়পুৰ আফিং অধিনিয়ম, ১৯২৩ --মন্ত্ৰী পৰিষদে গৃহীত কৰা আইন্ ৰাজপত্ৰত জাৰি কৰা বা প্ৰৱৰ্তন কৰা নহয় – আইনৰ বৈধতা – আইনৰ প্ৰৱৰ্তনৰ প্ৰয়োজনীয়তা – প্ৰাকৃতিক ন্যায়।***

প্ৰাকৃতিক ন্যায় অনুসৰি কোনো আইন কাৰ্যকৰী হ 'ব পৰাৰ আগতে ইয়াক প্ৰৱৰ্তন বা প্ৰকাশ কৰিব লাগিব। ই কোনো স্বীকৃত ধৰণে সম্প্ৰচাৰিত হ'ব লাগিব যাতে সকলো মানুহেই জানে যে ই কি; বা অন্ততঃ কোনো বিশেষ নিয়ম বা বিনিয়ম বা প্ৰথাগত প্ৰণালী থাকিব লাগিব যাৰ দ্বাৰা বা যাৰ জৰিয়তে যথাযথ আৰু যুক্তিসংগত পৰিশ্ৰমৰ অনুশীলনৰ দ্বাৰা এনে জ্ঞান আহৰণ কৰিব পৰা যায়।

জয়পুৰ ৰাজ্যৰ শাসন আৰু প্ৰশাসনৰ বাবে ৰাজৰাণীৰ প্ৰতিনিধিয়ে নিযুক্তি দিয়া মন্ত্ৰী পৰিষেদে জয়পুৰ আফিং অধিনিয়ম নামৰ এখন আইন প্ৰণয়ন কৰাৰ অভিপ্ৰায়েৰে ১৯২৩ চনত এটা প্ৰস্তাৱ গৃহীত কৰিছিল , কিন্তু এই আইন প্ৰৱৰ্তন কৰা বা ৰাজপত্ৰত প্ৰকাশ কৰা হোৱা নাছিল তথা জনসাধাৰণক জনোৱা হোৱা নাছিল। পৰিষদে গৃহীত কৰা আৰু ১৯২৪ চনৰ ১ নৱেম্বৰৰ পৰা বলবৎ হোৱা জয়পুৰ বিধি অধিনিয়ম, ১৯২৩-য়ে, ধাৰা ৩ (বি.)-ৰ দ্বাৰা নিৰ্দ্দেশ দিছিল যে জয়পুৰ ৰাজ্যৰ আদালতৰ দ্বাৰা পৰিচালনা কৰিবলগীয়া আইন হ'ব.. "(বি.) উক্ত ক্ষেত্ৰসমূহৰ ভিতৰত এতিয়া বলবৎ থকা সকলো বিনিয়ম আৰু ইয়াৰ পিছত ৰাজ্যই সময়ে সময়ে গৃহীত কৰিব পৰা আৰু চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত অধিনিয়ম আৰু নিয়মসমূহ।" ১৯৩৮ চনত জয়পুৰ আফিং অধিনিয়মখনত এটা দফা যোগ কৰি সংশোধন কৰি "ই ১৯২৪ চনৰ ১ ছেপ্টেম্বৰৰ পৰা বলবৎ হ'ব" বুলি কোৱা হৈছিল।

*বিবেচনা কৰা হৈছিল* যে আইনখন প্ৰকাশ অথবা প্ৰৱৰ্তন নকৰাকৈ পৰিষদৰ কেৱল প্ৰস্তাৱটো গৃহীত কৰাটোৱেই আইনখন কাৰ্যক্ষম কৰিবলৈ যথেষ্ট নাছিল আৰু সেইবাবে জয়পুৰ আফিং অধিনিয়মখন বৈধ আইন নাছিল। *পুনৰ বিবেচনা কৰা হৈছিল* , যে উল্লেখ্য অধিনিয়মখন জয়পুৰ বিধি অধিনিয়ম, ১৯২৩-ৰ ধাৰা ৩ (বি.)-ৰ দ্বাৰা সুৰক্ষিত নাছিল যিহেতু ই ১৯২৪ চনৰ ১ নৱেম্বৰত বলবৎ এখন বৈধ আইন নাছিল , আৰু ১৯২৪-ত বলবৎ হ'ব বুলি কেৱল এটা দফা সংযুক্ত কৰাটো কোনো কামৰ নাছিল।

ফৌজদাৰী আপিল অধিকাৰ ক্ষেত্ৰ : ফৌজদাৰী আপিল নম্বৰ ৫ চন ১৯৫১। সম্বত ২০05 চনৰ ২২৯ নম্বৰ ফৌজদাৰী প্ৰসংগ নিৰ্দ্দেশত জয়পুৰত ৰাজস্থান উচ্চ ন্যায়ালয় (নৱাল কিশোৰ চি.জে. আৰু ডাৱে জে.)-ৰ ১৯৫০ চনৰ ১৮ আগষ্টৰ ৰায় আৰু আদেশৰ পৰা আপিল।

আপিলকাৰীৰ বাবে এইচ. জে. উম্ৰিগৰ।

প্ৰতিবাদীৰ বাবে জি. চি. মাথুৰ।

১৯৫১, ছেপ্তেম্বৰ ২৪। আদালতৰ ৰায় প্ৰদান কৰা হৈছিল নিম্নোল্লিখিত ন্যায়াধীশৰ দ্বাৰা-

বোস জে. - আপিলকাৰীক জয়পুৰ আফিং অধিনিয়মৰ ৭ নং ধাৰাত দোষী সাব্যস্ত কৰাৰ লগতে ৫০ টকা জৰিমনা বিহা হয়। গোচৰটো সামান্য যদিও জয়পুৰত থকা ৰাজস্থানৰ উচ্চ ন্যায়ালয়ে আইনখনৰ পৰিসৰৰ সৈতে জড়িত এটা গুৰুত্বপূৰ্ণ কথা উত্থাপন হোৱা হেতুকে আপিল কৰিবলৈ বিশেষ অনুমতি প্ৰদান কৰে। আমি তথ্যসমূহ ক্ৰমাগতভাৱে উল্লেখ কৰিম।

বিশ্বাস কৰা হয় যে জয়পুৰৰ শাসকসকলৰ সৈতে আইন প্ৰণয়কে ধৰি শাসনৰ সম্পূৰ্ণ ক্ষমতা আছিল। ১৯২২ চনৰ ৭ ছেপ্টেম্বৰত প্ৰয়াত মহাৰাজৰ মৃত্যু হয় আৰু তেওঁৰ মৃত্যুৰ সময়ত তেওঁৰ উত্তৰাধিকাৰী , বৰ্তমানৰ মহাৰাজ, নাবালক আছিল। সেই অনুসৰি, মহাৰাজৰ নাবালিক অৱস্থাত ৰাজ্যৰ শাসন আৰু প্ৰশাসন চোৱাচিতা কৰিবলৈ ৰাজৰাণীৰ প্ৰতিনিধিয়ে মন্ত্ৰী পৰিষদ নিযুক্তি দিয়ে।

১৯২৩ চনৰ ১১ ডিচেম্বৰত এই পৰিষদে জয়পুৰ আফিং অধিনিয়ম প্ৰণয়নৰ উদ্দেশ্যেৰে প্ৰস্তাৱ গৃহীত কৰে আৰু একমাত্ৰ প্ৰশ্ন এয়া আছিল যে ৰাজপত্ৰত প্ৰকাশ অথবা প্ৰৱৰ্তন নকৰাকৈ অথবা আন কোনো

মাধ্যমেৰে অধিনিয়মখন ৰাইজৰ জ্ঞাত নকৰোৱাকৈ পৰিষদৰ কেৱল প্ৰস্তাৱটো গৃহীত কৰাটোৱেই ইয়াক আইনত পৰিগণিত কৰাবলৈ যথেষ্ট হয় নে নহয়। আমাৰ মতামত আছিল যে সেয়া যথেষ্ট নহয়। কিন্তু তেনে মত পোষণ কৰাৰ কাৰণ দিয়াৰ আগতে আমি আৰু কেইটামান তথ্যৰ প্ৰসংগ উল্লেখ কৰিম।

প্ৰায় একে সময়তে (অৰ্থাৎ ১৯২৩ চন ত -- আমাক সঠিক তাৰিখ দিয়া হোৱা নাই) একেখন পৰিষদে জয়পুৰ বিধি অধিনিয়ম, ১৯২৩ প্ৰণয়ন কৰিছিল। এই আইনৰ ধাৰা ৩( বি.)-ত তলত দিয়া ধৰণে প্ৰদান কৰা হৈছে:-

"৩. শাসকৰ বিশেষাধিকাৰৰ অধীনত জয়পুৰ ৰাজ্যৰ আদালতে পৰিচালনা কৰিবলগীয়া আইন তলত দিয়া ধৰণৰ হ'ব:

(বি.) উক্ত ক্ষেত্ৰসমূহৰ ভিতৰত এতিয়া বলবৎ থকা সকলো বিনিয়ম আৰু ইয়াৰ পিছত ৰাজ্যই সময়ে সময়ে গৃহীত কৰিব পৰা আৰু চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত অধিনিয়ম আৰু নিয়মসমূহ।"

এই আইনখন ১৯২৪ চনৰ ১ নৱেম্বৰৰ পৰা বলবৎ হয়।

বিশ্বাস কৰা হয় যে জয়পুৰ আফিং অধিনিয়ম ১৯২৪ চনৰ ১ নৱেম্বৰৰ আগতে বা পিছত কেতিয়াও ৰাজপত্ৰত প্ৰকাশ পোৱা নাছিল। কিন্তু ইয়াৰ বিৰুদ্ধে যুক্তি দিয়া হৈয় যে ইয়াৰ প্ৰয়োজন নাছিল কাৰণ এইটো সেই তাৰিখত ইতিমধ্যে বলবৎ হৈ থকা এটা "বিনিয়ম" আছিল।

পৰিণতিৰ আন একমাত্ৰ তথ্যটো হ'ল যে ১৯৩৮ চনৰ ১৯ মে'ত জয়পুৰ আফিং অধিনিয়মখনৰ ১ নং ধাৰাত উপ-ধাৰা (চি.) সংযোজন কৰি সংশোধন কৰা হয়, য'ত লিখা আছিল:

"(চি.) এইখন ১৯২৪ চনৰ ১ ছেপ্তেম্বৰৰ পৰা বলবৎ হ'ব।"

যিটো অপৰাধৰ বাবে আপীলকাৰীক দোষী সাব্যস্ত কৰা হৈছিল সেয়া ১৯৪৮ চনৰ ৮ অক্টোবৰত সংঘটিত হৈছিল।

এই আইনসমূহৰ শেষৰখন আইন, অৰ্থাৎ ১৯৩৮ চনৰ ১৯ মে'ৰ আইনখনৰ সৈতে প্ৰথমে মোকাবিলা কৰিলে আমি ইয়াক তৎক্ষণাত এফালে ৰাখিব পাৰো কাৰণ, যদি আফিং অধিনিয়মখন সৃষ্টি কৰাৰ সময়ত বৈধ নাছিল, চৈধ্য বছৰৰ পিছত কেৱল এটা দফা সংযোজন কৰি চৈধ্য বছৰ আগ ৰ তাৰিখ এটাত ই বলবৎ হৈছিল বুলি কোৱা টো অসাৰ হ 'ব। ১৯৩৮ চনত এখন আইন প্ৰণয়ন কৰা হৈ ছিল যাৰ অধীনত ১৯২৪ চনৰ ১ নৱেম্বৰৰ পিছৰ সকলো আইন ৰাজপত্ৰত প্ৰকাশ কৰিব লাগিছিল। গতিকে সেই তাৰিখত যদি আফিং অধিনিয়মখন বৈধ আইন নাছিল, তেন্তে চৈধ্য বছৰৰ পাছত ইয়াৰ মাত্ৰ এটা ধাৰা ৰাজপত্ৰত প্ৰকাশ কৰি ইয়াক বৈধতা প্ৰদান কৰিব পৰা নাযায়। ১৯২৩ চনৰ জয়পুৰ বিধি অধিনিয়ম অনুসৰি সমগ্ৰ আইনখন প্ৰকাশ কৰিব লাগিব; গতিকে এটা কেৱল ধাৰা প্ৰকাশ কৰিলেই ই বৈধ নহ'ব যদিহে ই ইতিমধ্যে বৈধ নাছিল। ১৯৩৮ চনত প্ৰকাশৰ দ্বাৰা ১৯২৪ চন ৰ পৰা কাৰ্যকৰী হ 'ব পৰাকৈ কোনো আইনক পুৰ্বদৃষ্টিসম্পন্ন কৰি তুলিব পাৰি নেকি সেই বিষয়ে আমি বিবেচনা কৰাৰ প্ৰয়োজন নাই , যদিও সেই কথাটো ৰ যুক্তি-যুক্ততা বিচাৰ কৰা হৈছিল। ই আমাক ১৯২৩ চনৰ পৰিস্থিতিলৈ লৈ যায় আৰু জয়পুৰ পৰিষদৰ কেৱল এক সংকল্পৰ ভিত্তিত কোনো আইন প্ৰণয়ন কৰিব পৰা যায় নেকি বুলি প্ৰশ্ন উত্থাপন কৰে।

জয়পুৰত সেই ৰাজ্যত কোনো আইন ৰূপায়ণৰ সন্দৰ্ভত কেনে ধৰণৰ আইন প্ৰযোজ্য আছিল সেয়া আমি নাজানো। আমাক একো দেখুৱাই দিয়া হোৱা না ছিল বা এনে কোনো ৰীতিৰ প্ৰতি আমাৰ মনোযোগ আকৰ্ষণ কৰোৱা হোৱা নাছিল যিয়ে বিষয়টোক নিয়ন্ত্ৰণ কৰে বুলি ক 'ব পাৰি। কোনো বিশেষ আইন বা ৰীতি ৰ অনুপস্থিতিত, আমি মত পোষণ কৰোঁ যে, কোনো ৰাষ্ট্ৰৰ প্ৰজাক এনে আইনেৰে শাস্তি বা জৰিমনা দিব দিয়াটো প্ৰাকৃতিক ন্যায়ৰ নীতি-বিৰুদ্ধ হ'ব, যাৰ বিষয়ে তেওঁলোকৰ কোনো জ্ঞান নাছিল আৰু যাৰ বিষয়ে তেওঁলোকে

যুক্তিসংগত পৰিশ্ৰমৰ প্ৰয়োগৰ যোগেদিও কোনো জ্ঞান আহৰণ কৰিব নোৱাৰিলেহেঁতেন। প্ৰাকৃতিক ন্যায় অনুসৰি কোনো আইন কাৰ্যকৰী হ'ব পৰাৰ আগতে ইয়াক প্ৰৱৰ্তন বা প্ৰকাশ কৰিব লাগিব। ই কোনো স্বীকৃত ধৰণে সম্প্ৰচাৰিত হ'ব লাগিব যাতে সকলো মানুহেই জানে যে ই কি; বা অন্ততঃ কোনো বিশেষ নিয়ম বা বিনিয়ম বা প্ৰথাগত প্ৰণালী থাকিব লাগিব যাৰ দ্বাৰা বা যাৰ জৰিয়তে যথাযথ আৰু যুক্তিসংগত পৰিশ্ৰমৰ অনুশীলনৰ দ্বাৰা এনে জ্ঞান আহৰণ কৰিব পৰা যায়। এনেকুৱা এটা চিন্তা এজন সভ্য মানুহৰ বাবে ঘৃণনীয় যে গোপন কক্ষত লোৱা এটা সিদ্ধান্তৰ দ্বাৰা, য'ত জনসাধাৰণৰ কোনো প্ৰৱেশ নাই আৰু য 'ত তেওঁলোকৰ স্বীকৃতিপ্ৰাপ্ত প্ৰতিনিধিৰো প্ৰৱেশ নাই আৰু যাৰ বিষয়ে তেওঁলোকে সাধাৰণতে একো জানিব নোৱাৰে , কোনো অধিক বিবেচনা নকৰাকৈ কেৱল এটা প্ৰস্তাৱ গৃহীত কৰাটো ৰে তেওঁলোকৰ জীৱন, স্বাধীনতা আৰু সম্পত্তিতো প্ৰভাৱ পেলাব পাৰে। এই কথাই তেওঁৰ বিবেকক জোকাৰি যায়। গতিকে আমি বিশ্বাস কৰোঁ যে কোনো আইন, নিয়ম, বিনিয়ম বা ৰীতি ৰ অভাৱত কোনো আইন তেনেকৈয়ে অস্তিত্বলৈ আহিব নোৱাৰে। কোনো যুক্তিসংগত প্ৰৱৰ্তন বা প্ৰকাশ প্ৰয়োজনীয়।

ইংলেণ্ডত প্ৰচলিত নিয়মটো হ 'ল যে সংসদৰ অধিনিয়মসমূহে ৰাজকীয় সন্মতি লাভ কৰা দিনটোৰ প্ৰথম মুহূৰ্তৰ পৰাই আইনত পৰিণত হয় , কিন্তু ৰাজকীয় ঘোষণাসমূহ তেতিয়াহে বৈধ হয় যেতিয়া সেইবোৰ প্ৰকৃততে অফিচিয়েল ৰাজপত্ৰত প্ৰকাশ পায়। হেল্সবেৰীজ লজ অৱ ইংলেণ্ড (হেইলশেম সংস্কৰণ) খণ্ড ৬-ৰ পৃষ্ঠা ৬০১-ৰ পাদটোকা (এ)-ৰ পৰা দফা ৭৭৬-লৈ আৰু ৩২ হেল্সবেৰীজ লজ অৱ ইংলেণ্ড (হেইলশেম সংস্কৰণ)-ৰ পৃষ্ঠা ১৫০ৰ টোকা (আৰ.) চাওঁক। কিন্তু তাতো এনে ঘোষণাক ৰাজপত্ৰত প্ৰকাশ কৰি আইন হিচাপে গঢ়ি তুলিবলৈ সংসদৰ বিশেষ আইন প্ৰণয়ন কৰাটো প্ৰয়োজনীয় আছিল , যদিও ৰাজকীয় ঘোষণাসমূহ হৈছে সংসদৰ আইন এখনৰ বাহিৰে ব্ৰিটিছ সংবিধানত জনাজাত আন সৰ্বোচ্চ ধৰণৰ আইন; আৰু আনকি লণ্ডন ৰাজপত্ৰত প্ৰকাশ পালেও স্কটলেণ্ডত ঘোষণাটো বৈধ নহ'ব নাইবা এডিনবাৰ্গ ৰাজপত্ৰত প্ৰকাশ কৰিলেও ইংলেণ্ডৰ বাবে বৈধ নহ 'ব। সেয়েহে স্পষ্ট যে কেৱল ৰাজকীয় ঘোষণা প্ৰণয়ন বা স্বাক্ষৰ কৰাটোৱেই যথেষ্ট নহয়। আইন হোৱাৰ আগতে ইয়াক প্ৰকাশ কৰিব লাগিব আৰু ইংলেণ্ডত প্ৰকাশৰ প্ৰকৃতি সংসদৰ অধিনিয়ম অনুসৰি নিৰ্ধাৰণ কৰিব লাগিব।

এই বিষয়টো নিয়ন্ত্ৰণ কৰা সংসদৰ অধিনিয়মখন হৈছে ১৮৭৭ চনৰ ক্ৰাউন অফিচ অধিনিয়ম (৪০ আৰু ৪১ ভিক্টোৰিয়া অধ্যায় ৪১)। সেই আইনখনে, কিছুমান চৰকাৰী ৰাজপত্ৰত প্ৰকাশৰ ব্যৱস্থা কৰাৰ উপৰিও, ঘোষণাসমূহ জনসাধাৰণক জনোৱাৰ সৰ্বোত্তম পদ্ধতিৰ বাবে পৰিষদত আদেশৰ দ্বাৰা নিয়ম প্ৰণয়নৰ ব্যৱস্থাও কৰিছে। ব্ৰিটিছ সংসদে সেয়েহে ক্ৰাউন অফিচ অধিনিয়মত এই কথাটোত গুৰুত্ব আৰোপ কৰিছে যে কেৱল ৰাজপত্ৰত প্ৰকাশ হোৱাই নহয় , ইয়াৰ উপৰিও যদি এক পৰিষদত আদেশে এনেদৰে নিৰ্দেশ দিয়ে , তেন্তে প্ৰকাশৰ অন্যান্য ধৰণো থাকিব লাগে , যাতে এই বিশেষ আইনবোৰ কি জনসাধাৰণে সামগ্ৰিকভাৱে জানিব পাৰে। ক্ৰাউন অফিচ অধিনিয়মখনে পৰিষদত মহামহিমক এই আইনসমূহ জনসাধাৰণৰ মাজত প্ৰচাৰ কৰাৰ সৰ্বোত্তম উপায় সযতনে বিবেচনা কৰিবলৈ নিৰ্দেশ দিয়ে আৰু সেই সংস্থাটোক ইয়াৰ বাবে নিয়ম প্ৰণয়ন কৰিবলৈ আৰু সেইবোৰক পৰিষদত আদেশত ৰূপায়িত কৰিবলৈ ক্ষমতা প্ৰদান কৰে। আমি ধৰি লৈছোঁ যে যদি এই ঘোষণাসমূহ এনেদৰে তৈয়াৰ কৰা নিয়ম অনুসৰি কঠোৰভাৱে প্ৰকাশ কৰা নহয় , তেন্তে সেইবোৰ বৈধ আইন নহ'ব।

এই প্ৰশ্নৰ অন্তৰ্নিহিত নীতিটো ইংলেণ্ডত ন্যায়িকভাৱে বিবেচনা কৰা হৈছে। উদাহৰণস্বৰূপে, কিছু পৰিমাণে নিম্ন পৰ্যায়ত, জনছন বনাম চাৰ্জেণ্ট (১) গোচৰত কোৱা হৈছিল যে বিন, মটৰ আৰু দাইল

(১) [১৯১৮] ১ কে.বি. ১০১; ৬৭ এল.জে.কে.বি. ১২২।

(অধিগ্ৰহণ) আদেশ, ১৯১৭ৰ অধীনত খাদ্য নিয়ন্ত্ৰকৰ এটা আদেশ কাৰ্যকৰী নহয় যেতিয়ালৈকে সেইটো ৰাইজক জনোৱা নহয় আৰু সেই ধৰণৰ আদেশ আৰু ব্ৰিটিছ সংসদৰ আইন এখনৰ মাজৰ পাৰ্থক্যৰ ওপৰত গুৰুত্ব আৰোপ কৰে। পাৰ্থক্যটো স্পষ্ট। ব্ৰিটিছ সংসদৰ আইনসমূহ ৰাজহুৱাভাৱে প্ৰৱৰ্তন কৰা হয়। বিতৰ্কসমূহ জনসাধাৰণৰ বাবে মুকলি থাকে আৰু আইনসমূহ জনসাধাৰণৰ স্বীকৃতিপ্ৰাপ্ত প্ৰতিনিধিয়ে গৃহীত কৰে যিসকলক তাত্ত্বিকভাৱে তেওঁলোকৰ নিৰ্বাচন-কৰ্তাসকলে কি কৰা হৈছে সেয়া জানে নে নাই চোৱাৰ দ্বায়িত্ব অৰ্পন কৰা থাকে। সেইবোৰে বাতৰি কাকতত, আৰু এতিয়া, অনাতাঁৰতো ব্যাপক প্ৰচাৰ লাভ কৰে। ৰাজকীয় ঘোষণা আৰু খাদ্য নিয়ন্ত্ৰকৰ আদেশ ইত্যাদি ত এনে নহয়। গতিকে তেওঁলোকৰ ক্ষেত্ৰত প্ৰণয়ন আৰু প্ৰকাশ হ'ব লাগিব। প্ৰকাশৰ পদ্ধতি বেলেগ বেলেগ হ'ব পাৰে; যি পদ্ধতি এখন দেশত ভাল, সেই পদ্ধতি আন এখন দেশত সৰ্বোত্তম হ'বই লাগিব বুলি ক'ব নোৱাৰি। কিন্তু কিবা এটা ধৰণৰ সঠিক প্ৰকাশন থাকিব লাগিব।

নতুবা এই নীতি ইংলেণ্ডৰ বাবেও অনন্য নহয়। ফ্ৰান্সত ইয়াক ক'ড নেপোলিয়নৰ দ্বাৰা কাৰ্যকৰী কৰা হৈছিল, যাৰ প্ৰথম অনুচ্ছেদত কোৱা হৈছে যে আইনসমূহ কাৰ্যবাহী হয় " ইয়াৰ প্ৰকাশ হোৱাৰ ফলত" আৰু এইবোৰ বলবৎ হ'ব "ইয়াৰ প্ৰৱৰ্তনৰ বিষয়ে জনাজাত হোৱাৰ মুহূৰ্তৰে পৰা "। উদাহৰণস্বৰূপে, ভাৰততো ইয়াক প্ৰয়োগ কৰা হৈছে, ভাৰতৰ প্ৰতিৰক্ষা নিয়মৰ ১১৯ নং নিয়মৰ অধীনত উদ্ভৱ হোৱা গোচৰত। উদাহৰণস্বৰূপে চাওক, (ৰাজৰাণী বনাম মংগুমল টেকুমাল(১), শকুৰ বনাম ৰজা সম্ৰাট(২) আৰু বাবুলাল বনাম ৰাজা সম্ৰাট(৩)। এইটো সঁচা যে এই গোচৰবোৰৰ কোনোটো ৰেই আমাৰ সন্মুখত থকা গোচৰৰ সৈতে মিল নাই, কিন্তু ই কেৱল প্ৰাকৃতিক ন্যায়ৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠা গভীৰ নিয়মৰ বিশেষ প্ৰয়োগহে।

জয়পুৰ আফিং অধিনিয়ম গৃহীত কৰা মন্ত্ৰী পৰিষদ কোনো সাৰ্বভৌম সংস্থা নাছিল বা নিজৰ কৰ্তৃত্বত কাম কৰা নাছিল। ইয়াক ৰাজৰাণীৰ প্ৰতিনিধিয়ে অস্তিত্বলৈ আনিছিল আৰু ১৯২৩ চনৰ ১১ আগষ্টৰ জয়পুৰ ৰাজপত্ৰ অধিসূচনাত ইয়াৰ ক্ষমতা সংজ্ঞায়িত আৰু সীমিত কৰা হৈছিল। সেয়েহে আমি এই গোচৰত ব্ৰিটিছ সংবিধানৰ অন্তৰ্নিহিত প্ৰাকৃতিক ন্যায়ৰ নীতি আৰু ধাৰণাসমূহ বিবেচনা কৰাৰ অধিকাৰী, কাৰণ এইটো কল্পনাতীত যে ব্ৰিটেইনৰ মহামহিমৰ এজন প্ৰতিনিধিয়ে এনে এটা সংস্থা সৃষ্টিৰ কথা চিন্তা কৰিব যিয়ে এনে কিছুমান ক্ষমতা প্ৰয়োগ কৰিব যিবোৰ সকলো স্বাধীনতাপ্ৰেমী মানুহে উপভোগ কৰা প্ৰাকৃতিক ন্যায়ৰ মৌলিক নীতিৰ প্ৰতি অতি অৱজ্ঞাসূচক। আমি বিশ্বাস কৰোঁ যে, ইয়াৰ বিপৰীতে কোনো নিৰ্দিষ্ট আইন বা পৰম্পৰাৰ অভাৱত জয়পুৰ ৰাজ্যৰ মন্ত্ৰী পৰিষদৰ কোনো প্ৰকাশ বা প্ৰৱৰ্তন অবিহনে কেৱল এটা প্ৰস্তাৱ কোনো আইন প্ৰণয়ন কৰিবলৈ যথেষ্ট নহ'ব।

আৰু এটা কথা বিবেচনা কৰাটো গুৰুত্বপূৰ্ণ। যুক্তি দিয়া হৈছিল যে ১৯২৩ চনৰ জয়পুৰ বিধি অধিনিয়মৰ ৩ (বি.) ধাৰাত সেই সময়ত বলবৎ থকা সকলো নিয়ম চৰকাৰী ৰাজপত্ৰত প্ৰকাশৰ প্ৰয়োজনীয়তাৰ পৰা ৰক্ষা কৰা হৈছি ল। এইটো হ'ব পাৰে, কিন্তু আইনখনে কেৱল সেই সময়ত বৈধ থকা আইনবোৰহে ৰক্ষা কৰিছিল, সেইবোৰক কৰা নাছিল যিবোৰ প্ৰস্তাৱে কেতিয়াও আইনৰ মৰ্যদা লাভ কৰা নাছিল।

এই আবেদন সফল হৈছে। দোষী সাব্যস্ত কৰণ আৰু শাস্তি বাতিল কৰা হৈছে। যদি জৰিমনা পৰিশোধ কৰা হৈছে তেন্তে সেয়া ঘূৰাই দিয়া হ'ব।

আপীল কৰাৰ অনুমতি প্ৰদান কৰা হৈছে।

আপীলকাৰীৰ বাবে এজেন্ট: আৰ. এ. গোবিন্দ।

প্ৰতিবাদকাৰীৰ বাবে এজেন্ট: পি. এ. মেহতা।

---

(১) আই.এল.আৰ. ১৯৪৪ কাৰাছী ১০৭।

(২) আই.এল.আৰ. ১৯৪৪ নাগ. ১৫০।

(৩)আই.এল.আৰ. ১৯৪৫ নাগ. ৭৬২।